# REGIONAL NEWS UNIT
AKASHVANI : GUWAHATI
0000000000

**Date :** 08-05-2024
**Time :** 1715 Hrs

## Assamese Night Bulletin
**:::::::::::::::::::::::::::::::**

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত কালি দেশৰ ৯৩টা সমষ্টিত ৬৪ দশমিক ৫-৭ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত ১০খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৩টা সমষ্টিত ভোটগ্ৰহণ কৰা হয়। তৃতীয় পৰ্যায়ত সামৰি লোৱা ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসমত ৮১ দশমিক ৭-১ শতাংশ, বিহাৰত ৫৮ দশমিক ১-৮ শতাংশ, ছত্তিশগড়ত প্ৰায় ৭১ শতাংশ, দাদৰা-নগৰ হাভেলি আৰু দমন-দিউত ৬৯ দশমিক ৮-৭ শতাংশ, গুজৰাটত ৫৯ দশমিক ৫-৯ শতাংশ, কৰ্ণাটকত ৭০ দশমিক ৪-১ শতাংশ, গোৱাত ৭৫ দশমিক ২-০ শতাংশ, মধ্যপ্ৰদেশত ৬৬ দশমিক ০-৩ শতাংশ, মহাৰাষ্ট্ৰত ৬১ দশমিক ৪-৪ শতাংশ, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৩-৪ শতাংশ আৰু পশ্চিমবংগত ৭৬ দশমিক ৫-২ শতাংশ ভোটদান হয়।

তৃতীয় পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১১টা, উত্তৰ প্ৰদেশৰ ১০টা, মধ্যপ্ৰদেশৰ ৯টা, ছট্টিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসমৰ ৪টা, পশ্চিমবংগৰ ৪টা, গোৱাৰ দুটা সমষ্টিৰ লগতে কেন্দ্ৰীয় শাসিত দাদৰা-নগৰ হাভেলি আৰু দমন-ডিউৰ এটাকৈ সমষ্টিক সাঙুৰি লোৱা হয়। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ লগে লগে দেশৰ ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৮৩টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিল। তৃতীয় পৰ্যায়ত ভোটগ্ৰহণৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য, বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকা ছত্তিশগড়, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো ভোটগ্ৰহণৰ প্ৰক্ৰিয়া সম্পন্ন হয়।

তৃতীয় পৰ্যায়ত মুঠ এহেজাৰ ৩৩১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত- বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ, মনসুখ মন্দাভিয়া, জ্যোতিৰাদিত্য সিন্ধিয়া, প্ৰহ্লাদ যোশী, শিৱৰাজ সিং চৌহান, বাসৱৰাজ বোম্মাই, কংগ্ৰেছ নেতা দিগ্বিজয় সিং আৰু অধীৰৰঞ্জন চৌধুৰী, সমাজবাদী প্ৰাৰ্থীৰ ডিম্পল যাদৱ, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া সুলে অন্যতম।

oooooo

ৰাজ্যৰ ৪টা সমষ্টিত কালি লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন হয়। শেহতীয়া তথ্য অনুসৰি ৰাজ্যখনত ৮১ দশমিক ৭-১ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ইপিনে, ভোটগ্ৰহণ হোৱাৰ পাছত ই ভি এমসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ষ্ট্ৰং ৰুমত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ৬ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল।

উল্লেখযোগ্য যে, কালি বৰপেটা সমষ্টিত ৮২ দশমিক ০-২, ধুবুৰীত ৮৬ দশমিক ৮-০, গুৱাহাটীত ৭৫ দশমিক ৬-৭ আৰু কোকৰাঝাৰ সমষ্টিত ৮০ দশমিক ৪-৪ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

oooooo

দেশৰ বিভিন্ন প্ৰান্তত পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান ব্যাপক ৰূপত অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰিমনগৰ লোকসভা সমষ্টিৰ ভেমুল্লাবাড়াত স্থানীয় প্ৰাৰ্থী তথা বিজেপিৰ সাধাৰণ সম্পাদক বান্দি সঞ্জয় কুমাৰৰ হকে এখন জনসভাত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীয়ে বি আৰ এছ আৰু তেলেংগানাৰ

কংগ্ৰেছ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে কংগ্ৰেছৰ পৰিয়াল প্ৰথম নীতিৰ বিপৰীতে বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মন্তব্য কৰে।

তেওঁ ৰাৱাংগল লোকসভা সমষ্টিৰ এখন জনসভাত দলীয় প্ৰাৰ্থী আৰুৰী ৰমেশৰ সমৰ্থনত ভাষণ দিয়ে। তেওঁ কয় যে, বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি অহাৰ বিপৰীতে কংগ্ৰেছে পৰিয়ালকেন্দ্ৰিক শাসনৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰধানমন্ত্ৰীয়ে তেলেংগানাৰ জনসাধাৰণক বিকাশৰ লক্ষ্যৰে ভোটদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতে শ্ৰীমোদীয়ে অন্ধ্ৰপ্ৰদেশৰ ৰাজমপেটত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে ৰাওনা হয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি গৃহৰাজ্য হিমাচল প্ৰদেশত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। শ্ৰীনাড্ডাই মান্দি জিলাৰ দিয়াৰ্গি ছেগলি গাঁও পঞ্চায়তৰ কোট বাগীত এখন ৰাজহুৱা সভাত অংশ লয়। ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ পৰা ৰাজহুৱা প্ৰচাৰৰ শুভাৰম্ভ কৰে। বিৰোধী কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহেও প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ৰাড্ৰাই আজি উত্তৰ প্ৰদেশৰ ৰায়বৰেলীত এটা সমাবেশত অংশগ্ৰহণ কৰে। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত তেওঁ ন্যায় আৰু সুশাসনৰ বাবে কংগ্ৰেছ দলক জয়ী কৰাবলৈ আহ্বান জনায়।

০০০০০০

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি তৃতীয় দিনৰ বাবেও বন্ধ হৈ আছে। জলপৃষ্ঠ বৃদ্ধি পোৱাত ফেৰী ঘাটৰ ৰেম্প বুৰ যোৱাৰ পৰিপ্ৰেক্ষিতত অভ্যন্তৰীণ জলপৰিবহণ বিভাগে ৰেম্প মেৰামতি নোহোৱা পৰ্যন্ত ফেৰী চলাচল বন্ধ কৰিছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত ফেৰী সেৱা বন্ধ হৈ থাকিব।

০০০০০০

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। হাইলাকান্দি জিলাৰ বিভিন্ন শিক্ষানুষ্ঠান, বেচৰকাৰী প্ৰতিষ্ঠানত ৰবীন্দ্ৰ জয়ন্তী উদযাপন কৰা হৈছে। বৰাক উপত্যকা বংগ সাহিত্য আৰু সাংস্কৃতিক মঞ্চৰ উদ্যোগত হাইলাকান্দিত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত কবিগুৰুৰ প্ৰতি শ্ৰদ্ধা জনাই ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০০

ৰসমাপ্ত